# মৰিধল মহাবিদ্যালয়ত আলোচনা-চক্ৰ

**'আমাৰ অসম'ৰ ধেমাজিৰ প্ৰতিনিধি, ২ নৱেম্বৰ ঃ** ধেমাজিৰ মৰিধল মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মঙলবাৰে পুৱা ১০ বজাৰ পৰা আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু দৰ্শন বিভাগৰ যৌথ উদ্যোগত 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পূৰ্ণতা' শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° লেখন গগৈয়ে আঁত ধৰা আলোচনা-চক্ৰৰ আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দ্বিপেন শইকীয়াই। বিষয়বস্তুৰ সমল ব্যক্তি হিচাপে ভাষণ আগবঢ়ায় সাহিত্য একাডেমী অনুবাদ সাহিত্যৰ বঁটাপ্ৰাপক তথা যশস্বী বক্তা দিগন্ত বিশ্ব শৰ্মাই। শ্ৰীৰামকৃষ্ণ পৰম হংস, শ্ৰীঅৰবিন্দ আৰু স্বামী বিবেকানন্দৰ পৰম ভক্ত ড° শৰ্মাই শ্ৰীমদভাগৱত গীতা আৰু উপনিষদৰ উপমাৰে কেনেকৈ জীৱনৰ লক্ষ্য নৰোত্তমক আহিলা হিচাপে লৈ নৰনাৰায়ণক লাভ কৰিব পাৰি সেই বিষয়ে বিতং ব্যাখ্যা দাঙি ধৰে। তেওঁ কয় যে আত্ম প্ৰতিষ্ঠা কৰা, বিকশিত কৰা আৰু নিজকে অতিক্ৰম কৰি নৰনাৰায়ণক লাভ কৰাই হৈছে জীৱনৰ লক্ষ্য আৰু এই লক্ষ্যত উপনীত হ'বলৈ হ'লে ব্যক্তিত্বৰ পূৰ্ণতা লাভৰ গুণৰ অধিকাৰী হ'বলৈ প্ৰয়াস কৰিব লাগিব। মহাবিদ্যালয়খনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা আলোচনা-চক্ৰত ছাত্ৰ-ছাত্ৰীসকলে সমল ব্যক্তিৰ লগত মত-বিনিময় কৰে। শেষত আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ যুটীয়া সমন্বয়ক হৰিপ্ৰসাদ কাফলেই সাৰগৰ্ভ আৰু আকৰ্ষণীয় ভাষণ প্ৰদানেৰে মোহাচ্ছন্ন কৰা সমল ব্যক্তি দিগন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।